**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 01-09-2026 **Time :** 1205 Hrs.

**Assamese Midday Bulletin**

**<u>Headlines</u>**

১। উজনি অসমৰ বান ক্ষতিগ্ৰস্ত তিনিখন জিলাৰ ১৬ হাজাৰ ৭৪৬ টা পৰিয়ালক ১৫ হাজাৰ টকাকৈ চৰকাৰী আৰ্থিক সাহায্য প্ৰদানৰ কাৰ্যসূচী আৰম্ভ।

২। মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ ৪৩০ সংখ্যক তিৰোভাৱ তিথি উপলক্ষে ৰাজ্যৰ সত্ৰ-নামঘৰত হৰিনামৰ ধ্বনি।

৩। গুৱাহাটীৰ মঠঘৰীয়াৰ নিজৰাপাৰত সংঘটিত ভূমিস্খলনৰ ঘটনাত আজি একেটা পৰিয়ালৰ তিনিজন লোকৰ মৃত্যু।

*আৰু*

৪। নাগালেণ্ডত হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত উজনি অসমৰ কেইবাখনো জিলাত পুনৰ বানৰ আশংকা।

০০০০০০

উজনি অসমৰ তিনিখন জিলা শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ বানক্ষতিগ্ৰস্ত পৰিয়াল সমূহক ১৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

পূৰ্বে বাকী ৰোৱা ১৬ হাজাৰ ৭৪৬ টা পৰিয়ালক এই পৰ্য্যায়ত সামৰি লোৱা হ'ব। আজি দিচপুৰৰ লোকসেৱা ভৱনৰ সংবাদ সন্মিলন কক্ষত আৰ্থিক সাহায্য প্ৰদান কাৰ্যসূচীত মখুমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত আছে।

ইপিনে, চি এম ফ্লাইট আঁচনিৰ সংশোধিত নীতি অনুসৰি প্ৰথম কিস্তিৰ ধনো আজি প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীৰ বৈদেশিক ভাষা প্ৰশিক্ষণ পদক্ষেপৰ অংশ হিচাপে জাপানী ভাষাৰ প্ৰশিক্ষণ কাৰ্য্যসূচীত এই আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষত নামভৰ্তি কৰা ১৪৮ গৰাকী আৰু ২০২৬-২৭ বৰ্ষত নতুনকৈ নামভৰ্তি কৰা ৫২ গৰাকী শিক্ষাৰ্থীক আৰ্থিক সাহায্য প্ৰদান কৰা হব। প্ৰতিগৰাকী শিক্ষাৰ্থীক প্ৰশিক্ষণ গ্ৰহণৰ বাবে তিনিটা কিস্তিত মুঠ ১ লাখ টকাকৈ দিয়া হ'ব। প্ৰাৰ্থীসকলে নিযুক্তি লাভ কৰাৰ পাছত ৫০ হাজাৰ টকা অনুমোদন দিয়া হ'ব। এই আঁচনিৰ বাবে চৰকাৰে ২ কোটি ৮০ লাখ টকা আৱণ্টনত অনুমোদন জনাইছে।

মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ অধীনতো আজি চৰকাৰী আৰু ৰাজহুৱা শিক্ষানুষ্ঠানৰ সদ্য স্নাতক সকলৰ বাবে আৰ্থিক সাহাৰ্য্য আগবঢ়োৱা হ'ব। ৪৮ হাজাৰ ১৮৮ গৰাকী অৰ্হতা সম্পন্ন প্ৰাৰ্থীক ১২ মাহৰ বাবে আঢ়ৈ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। এই আঁচনিৰ বাবে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে ১১৮ দশমিক ৬ কোটি টকা ধাৰ্য্য কৰা হৈছে।

০০০০০০

অসমীয়া সমাজ সংস্কৃতিৰ অন্যতম বৰভেটি গঢ়োতা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অন্যতম প্ৰিয় শিষ্য নামঘোষা, ভক্তিৰত্নাৱলী, ভালেসংখ্যক বৰগীত আদিৰে অসমীয়া সংস্কৃতিক চহকী কৰা মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ

আজি ৪৩০ সংখ্যক তিৰোভাৱ তিথি। এই উদ্দেশ্যে ৰাজ্যৰ নামঘৰ আৰু সত্ৰসমূহ পুৱাৰে পৰা হৰিনামৰ ধবনিৰে মুখৰ হৈ পৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৰুজনাৰ তিথি উপলক্ষে জনসাধাৰণক শুভেচ্ছা জনাইছে। মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱে প্ৰতিষ্ঠা কৰা বৰপেটা সত্ৰত এই উপলক্ষে কীৰ্তন মহোৎসৱ পালন কৰা হৈছে। এই সন্দৰ্ভত সবিশেষ জনাইছে আমাৰ বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই-

(বাইট ঃ মহন্ত)

মহাপুৰুষ জনাৰ তিৰোভাৱ তিথি উপলক্ষে উজনি মাজুলীৰ শ্ৰী শ্ৰী টকৌবাৰী সত্ৰ আৰু শ্ৰী শ্ৰী উত্তৰ কমলাবাৰী সত্ৰত গুৰুজনাৰ তিৰোভাৱ তিথিৰ বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত হৈছে। এলেঙী শ্ৰী শ্ৰী টকৌবাৰী সত্ৰৰ ডেকা সত্ৰাধিকাৰ ভব মহন্তই গুৰুজনাৰ তিথি উপলক্ষে সত্ৰখনত আয়োজন কৰা বৰ্ণাঢ্য অনুষ্ঠান সম্পৰ্কে এইদৰে কয়-

(বাইট ঃ সত্ৰাধিকাৰ)

কোচবিহাৰৰ মধুপুৰ সত্ৰত আজি দিনজোৰা কাৰ্যসূচীৰে শ্ৰী শ্ৰী মাধৱ দেৱৰ তিৰোভাৱ তিথি অনুষ্ঠিত হৈছে। অসম সত্ৰ মহাসভা উত্তৰ পশ্চিম মণ্ডলৰ সাংস্কৃতিক সম্পাদক যুগান্ত বায়নে জনোৱা অনুসৰি আজি পুৱা গুৰু ভটিমা, প্ৰসংগ, ভাগৱত পাঠ আদিৰে সত্ৰৰ চৌহদ মুখৰ হৈ পৰিছে।

শ্ৰী শ্ৰী উত্তৰ কমলাবাৰী সত্ৰই মহাপুৰুষ জনাৰ তিথি **গুৰুকীৰ্ত্তন** হিচাপে চাৰিদিনীয়াকৈ পালন কৰিছে। প্ৰথম দিনা চাউল ভোজনী, দ্বিতীয় দিনা থাপনি, আজি তৃতীয় দিনা মূল কীৰ্ত্তন আৰু কাইলৈ শেষৰ দিনা ভাঙনী অনুষ্ঠিত হ'ব।

**নগাঁও** জিলাৰ শ্ৰীশ্ৰী বটদ্ৰৱা থানত আজি গুৰুজনাৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। এই উপলক্ষে পুৱাৰ পৰাই নাম প্ৰসঙ্গ আৰু বিভিন্ন কাৰ্য্যসূচী অনুষ্ঠিত হৈছে।

**ডিব্ৰুগড়** জিলাৰ বিভিন্ন অঞ্চলত বিশেষকৈ নামৰূপ, নাহৰকটীয়া, দুলীয়াজান, টেঙাখাট, চাবুৱা, লাহোৱাল, মৰান, বৰবৰুৱা আদিকে ধৰি সকলো অঞ্চলতে আজি পুৱাৰে পৰা নাম কীৰ্ত্তন, শাস্ত্ৰ পাঠ, গায়ন-বায়নৰ জৰিয়তে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰা হৈছে।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্ততো আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। এই উপলক্ষে জিলাখনৰ বগুৱানৰ শ্ৰীশ্ৰী কেওলীয়া হাটী সত্ৰ আৰু গোৱালপাৰা চহৰৰ শ্ৰী শ্ৰী শ্যাম ৰায় সত্ৰত পুৱাৰে পৰা নাম প্ৰসঙ্গৰ লগতে আন আন কাৰ্য্যসূচী ৰূপায়ন কৰা হৈছে। একেদৰে জিলাখনৰ বিভিন্ন সত্ৰ আৰু নামঘৰ সমূহত গুৰুজনাৰ তিৰোভাৱ তিথিৰ আয়োজন কৰা হৈছে।

০০০০০০

আজি পুৱাৰে পৰা অহা নেৰানেপেৰা বৰষুণৰ ফলত আজি গুৱাহাটীৰ মঠঘৰীয়াৰ নিজৰাপাৰৰ লক্ষ্মী মন্দিৰৰ সমীপত সংঘটিত ভূমিস্খলনত তিনিজন লোকৰ মৃত্যু হয়। বৰষুণৰ ফলত পাহাৰৰ মাটি খহি পৰাত একেটা পৰিয়ালৰে নগেন ৰাজবংশী, চুনু ৰাজবংশী আৰু মিনা ৰাজবংশীৰ মৃত্যু হয়। স্থানীয় ৰাইজ আৰু আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ কেইটা উদ্ধাৰ কৰে।

ইপিনে নেৰানেপেৰা বৰষুণৰ ফলত গুৱাহাটীৰ বিভিন্ন প্ৰান্তত কৃত্ৰিম বানৰ সৃষ্টি হৈছে। ৰাজগড়, চানমাৰি, জু-ৰোড, অনিল নগৰ, নবীন নগৰকে ধৰি কেইবাটাও অঞ্চলত সৃষ্টি হোৱা কৃত্ৰিম বানৰ ফলত জনসাধাৰণৰ যাতায়াতৰ

ক্ষেত্রত অসুবিধাৰ সৃষ্টি হৈছে। উজান বজাৰৰ বাৰোৱাৰীৰ ৰাজপথত এজোপা গছ বাগৰি পৰাৰ ফলত পথটোৰে যাতায়াতৰ অসুবিধা হৈছে।

০০০০০০

উজনি অসমৰ কেইবাখনো জিলাত পুনৰ বানৰ আশংকাই দেখা দিছে। নাগালেণ্ডত হোৱা প্ৰৱল বৰষুণৰ ফলত ভোগদৈ নদীৰ জলস্তৰ পুনৰ বৃদ্ধি পাইছে। কালি বিয়লি ভোগদৈ নৈৰ জলপৃষ্ঠ ৮৯ দশমিক ১-৪ চেণ্টিমিটাৰ হৈছে। জলসম্পদ বিভাগৰ তথ্য অনুসৰি ভোগদৈ দলঙৰ সমীপত নদীখনৰ জলপৃষ্ঠ বিপদসীমাৰ ১৪ চেণ্টিমিটাৰ ওপৰেৰে বৈছে। যাৰ বাবে পুনৰ যোৰহাটৰ নৈ কাষৰীয়া লোকসকল চিন্তিত হৈ পৰিছে। আজি পুৱাৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত মুষলধাৰ বৰষুণ হোৱাত বিভিন্ন অঞ্চলত বান পৰিস্থিতিৰ সৃষ্টি হোৱাৰ সম্ভাৱনাই দেখা দিছে। ইতিমধ্যে বান বিধবস্ত চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাত জিলা প্ৰশাসনে পুনৰ হাই এলাৰ্ট জাৰি কৰিছে। নাগালেণ্ডৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰীয়ে প্ৰকাশ কৰা বিবৃতিৰ ওপৰত ভিত্তি কৰি ৩০ আগষ্টৰ পৰা ২ ছেপ্তেম্বৰ পৰ্যন্ত সকলোকে সতৰ্ক হৈ থাকিবলৈ আহ্বান জনোৱা হৈছে। ইপিনে বিশ্বনাথ জিলাৰ গহপুৰত চত্ৰং, ব্ৰহ্মাজান আৰু সোলেঙী আদি পাহাৰীয়া নৈসমূহৰ বাঢ়নি পানীয়ে গহপুৰত ভয়াবহ বানৰ সৃষ্টি কৰিছে। চত্ৰং নৈয়ে গহপুৰৰ সাত নম্বৰ ৱাৰ্ডৰ গাৰ্ড ৱাল আৰু গোপালবস্তিত মঠাউৰি ভাঙি পেলায়। ন-বিল অঞ্চলত পথৰ ওপৰেৰে পানী বাগৰাৰ ফলত ৰাইজৰ যাতায়াতত যথেষ্ট অসুবিধাই দেখা দিছে। তদুপৰি গহপুৰৰ কনকলতা অসামৰিক চিকিৎসালয় চৌহদতো পানী সুমুৱাৰ বাবে ৰোগীসকলৰ অহা-যোৱাত যথেষ্ট অসুবিধা হৈছে। গহপুৰৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেদি পানী বাগৰাত যাতায়াতত অসুবিধাৰ সৃষ্টি হৈছে। সোলেঙী নদীৰ পানী বঢ়াৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথটোৰে কালি সন্ধিয়াৰে পৰা পানী বাগৰিছে।

০০০০০০০

ৰাজ্য চৰকাৰে উজনি অসমৰ তিনিখন বান বিধবস্ত জিলাৰ আত্ম সহায়ক গোটৰ মহিলাসকলক পুনৰ ১০ হাজাৰকৈ টকা প্ৰদান কৰিব। জিলাকেইখনৰ ক্ষতিগ্ৰস্ত লোকসকলক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰাৰ বাবেও চৰকাৰে চেষ্টা চলাব। শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই আশ্বাস প্ৰদান কৰিছে। কালি সন্ধিয়া জনতা ভৱনত শিৱসাগৰৰ বিধায়কগৰাকীয়ে মুখ্যমন্ত্ৰী ড০ শৰ্মাক সাক্ষাৎ কৰাৰ সময়ত তেওঁক এই আশ্বাস দিয়ে। তদুপৰি জিলা তিনিখনৰ ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক আজিৰ ভিতৰত ১৫ হাজাৰ টকাৰ সাহায্য প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সাক্ষাতৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শিৱসাগৰৰ বিধায়কগৰাকীয়ে কয়, যে আজিৰ ভিতৰত বঞ্চিত হৈ থকা ১৬ হাজাৰ বান ক্ষতিগ্ৰস্ত পৰিয়ালে ১৫ হাজাৰ টকাকৈ সাহায্য লাভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে নিশ্চিতি দিছে। অৱশ্যে বানত ক্ষতিগ্ৰস্ত পৰিয়ালসকলক ১০ লাখ টকাকৈ সাহায্য প্ৰদানৰ দাবী এতিয়াও মুখ্যমন্ত্ৰীয়ে মানি লোৱা নাই বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে বানত জিলাখনৰ ১৬০ কিলোমিটাৰ পথ সম্পূৰ্ণৰূপে বিধবস্ত হৈছে। এই পথ মেৰামতি কৰিবলৈও মুখ্যমন্ত্ৰীক আহ্বান জনোৱা হৈছে। বানত ক্ষতিগ্ৰস্ত মহাবিদ্যালয়সমূহক চৰকাৰে ক্ষতিপূৰণ দিয়াৰ সিদ্ধান্ত লৈছে বুলিও অখিল গগৈয়ে সাংবাদিকৰ আগত অৱগত কৰে।

০০০০০০০

**সমাপ্ত**